08/09/2023

No. 9

4th Series of Lectures
Organized by

Department of Sociology
Cinnamora College
Cinnamora, Jorhat - 8 (Assam)

In collaboration with
The Department of Sociology
Jorhat College (Amalgamated)

Theme of the series:-

Comparative Method in Social Science Research on Max Weber and Emile Durkheim's Sociology.

Resource Person:-

Dr. Himanta Pratim Borgohain,
Assistant professor, Department of Sociology
Dr. Nabin Bordoloi College, Na-Ali Dhekiajuli, Titabor

Date: 8 September, Friday, 2023.
Time - 1PM Venue: Conference Hall, Cinnamora College

উক্ত বক্তৃতা অনুষ্ঠানটি চিনামৰা মহাবিদ্যালয়ত ০৮ চেপ্তেম্বৰ শুক্ৰবাৰে দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত হয়, যিটো অনুষ্ঠানৰ আঁত ধৰিছিল চিনামৰা মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰূপজ্যোতি দত্তই, অনুষ্ঠানটিত মূখ্য অতিথি তথা Resource Person হিচাপে উপস্থিত আছিল ড° নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° হিমান্ত প্ৰতীম বৰগোহাঞি ছাৰবোধাই, অনুষ্ঠানটিত চিনামৰা মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থকাৰ লগতে যোৰহাট মহাবিদ্যালয়, বগবজান মহাবিদ্যালয় আৰু ড° নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ছাত্ৰ ছাত্ৰী সকল উপস্থিত থকাৰ লগতে

চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানটি চিনামৰা মহাবিদ্যালয় আৰু যোৰহাট মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহযোগত অনুষ্ঠিত কৰা হৈছিল। অনুষ্ঠানটিৰ আৰম্ভণিতে সমাজতত্ত্বৰ পিতৃ আগষ্ট কোঁতৰ প্ৰতিচ্ছবিৰ সন্মুখত ড° হিমাংশু প্ৰতীম বৰগোহাঞি ডাঙৰীয়াৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হয়।

বক্তৃতা অনুষ্ঠানটিত সভাপতি আসন গ্ৰহণ কৰে চিনামৰা মহাবিদ্যালয়ৰ অধ্যাপিকা দিপশিখা দত্তই, আদৰণি ভাষণ আগবঢ়ায় চিনামৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক বন্ধু কুমাৰ ভৰালীয়ে। পৰৱৰ্তী সময়ত মুখ্য অতিথি ড° হিমাংশু প্ৰতীম বৰগোহাঞি ডাঙৰীয়াই বক্তৃতা অনুষ্ঠানটিৰ বিষয় - "Comparative Method in Social Research (A special talk on weber and Durkheim's sociology)"ৰ ওপৰত অতি সুন্দৰ বক্তৃতা আগবঢ়ালে যিখিনিয়ে উপস্থিত সকলোকে বহুতো উপকৃত কৰি তুলিলে। অনুষ্ঠানটিত মেক্স বেবাৰৰ আৰু দুৰখেইমৰ comparative method সম্পৰ্কে আলোচনা কৰে যত বেবাৰৰ The Protestant Ethics and the spirit of capitalism নামৰ গ্ৰন্থৰ বিভিন্ন কথা উল্লেখ কৰাৰ লগতে Comparative method সম্পৰ্কে বিশেষ জ্ঞান আগবঢ়ালে আৰু এৰিষ্টটলৰ দৰে দাৰ্শনিকেও তেওঁৰ আলোচনাত স্থান পালে। দুৰখেইমৰ আত্মহত্যা তত্ত্বৰ বিষয়েও বিশেষভাৱে তুলনামূলক পদ্ধতি কৰহাৰ কৰি কিদৰে উপস্থাপন কৰিব পাৰি সেই সম্পৰ্কেও জ্ঞান দিলে। মেক্স বেবাৰৰ epistemological analysis সম্পৰ্কে অৱগত কৰিলে। তেওঁৰ আলোচনাত মূল স্থান পোৱা এটি অংশ হ'ল Philology. যিটোৱে ভাষা সম্পৰ্কে অধ্যয়ন কৰে। Verstehen সম্পৰ্কেও বিশেষ তথ্য আগবঢ়ায়। এনেদৰে সম্পূৰ্ণ দুঘণ্টা ত্ৰিশ মিনিট জোৰা সমাজতত্ত্ব বিষয়ক এই বক্তৃতাই সকলোকে মন্ত্ৰমুগ্ধ কৰে। অনুষ্ঠানৰ শেষত এটি test অনুষ্ঠিত কৰে যত যোৰহাট মহাবিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰী ভৈৰৱী বৰা আৰু প্ৰিয়াক্ষী বৰাই সাফল্য অৰ্জন কৰি মূল অতিথিৰ পৰা তেওঁৰ নিজা লিখিত এৰোখনকৈ গ্ৰন্থ লাভ কৰে। অনুষ্ঠানটোত উপস্থিত সকলো ছাত্ৰ ছাত্ৰীক অনুষ্ঠানৰ শেষত এখনকৈ মানপত্ৰ প্ৰদান কৰে আৰু ছাত্ৰ ছাত্ৰীসকলৰ ফালৰ পৰাও তেওঁলোকে নিজৰ মতামত আগবঢ়ায়। আৰু শেষত চিনামৰা মহাবিদ্যালয়ৰ অধ্যাপক নিৰ্মলচন্দ্ৰ বৰা দেৱৰ শলাগৰ শৰাইৰ দ্বাৰা অনুষ্ঠানটিৰ সমাপ্তি ঘটে।

— x —

(B.K. Saikia)

Head, Deptt. of Sociology, Jorhat College (Autonomous), Jorhat:785001, Assam